অসম

গুৱাহাটীত ঘৰে ঘৰে আৱৰ্জনা সংগ্ৰহৰ বাবদ মাহে ৫০ টকা মাচুল নিৰ্ধাৰণ পৌৰ নিগমৰ

গুৱাহাটীত ঘৰে ঘৰে গোটা আৱৰ্জনা সংগ্ৰহৰ বাবদ প্ৰতিটো পৰিয়ালে মাহিলি ৫০ টকাকৈ ব্যৱহাৰকাৰী মাচুল দিব লাগিব বুলি জাননী জাৰি কৰিছে গুৱাহাটী পৌৰ নিগমে।

প্ৰকাশ: ২৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩১



GUWAHATI MUNICIPAL CORPORATION (GMC)
Betkuchi, Dispur, Guwahati-781035
Website-www.gmc.assam.gov.in, email-guwahaticom@gmail.com
Phone-+91-361-2540525

No: GMC/SBM/44/2023/312 Date: 25/11/2026

ৰাজহুৱা জাননী

ইয়াৰ দ্বাৰাই সকলো গুৱাহাটীবাসী নাগৰিকক অৱগত কৰা হ'ল যে ১ নৱেম্বৰ, ২০২৬ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ, ঘৰে ঘৰে গৈ পৌৰ নিগমৰ গোটা আৱৰ্জনা সংগ্ৰহ সেৱাৰ (Door-to-Door Municipal Solid Waste Collection Services) বাবদ প্ৰতিমাহে প্ৰতিটো পৰিয়ালৰ পৰা ৫০ টকা (কেৱল পঞ্চাশ টকা) ব্যৱহাৰকাৰী মাচুল (User Fee) সংগ্ৰহ কৰা হ'ব। এই ব্যৱহাৰকাৰী মাচুল অনুমোদিত App-ভিত্তিক ব্যৱস্থাৰ জৰিয়তে সংশ্লিষ্ট অঞ্চলসমূহৰ নিৰ্ধাৰিত স্বচ্ছতা সখীসকলে সংগ্ৰহ কৰিব। নাগৰিকসকলক গুৱাহাটী পৌৰ নিগমৰ (GMC) সৈতে সহযোগিতা কৰিবলৈ আৰু তেওঁলোকৰ নিজ নিজ অঞ্চলৰ নিৰ্ধাৰিত স্বচ্ছতা সখীক প্ৰতিমাহে ধাৰ্য্য কৰা ৫০ টকা পৰিশোধ কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

শ্ৰীচিন্ময় প্ৰকাশ ফুকন
আয়ুক্ত
গুৱাহাটী পৌৰ নিগম
গুৱাহাটী, অসম

গুৱাহাটী, ২৬ নৱেম্বৰ: গুৱাহাটী মহানগৰীৰ প্ৰতিটো পৰিয়ালে ঘৰে ঘৰে গোটা আৱৰ্জনা সংগ্ৰহ সেৱাৰ বাবদ এতিয়াৰে পৰা প্ৰতিমাহে ৫০ টকাকৈ ব্যৱহাৰকাৰী মাচুল পৰিশোধ কৰিব লাগিব। গুৱাহাটী পৌৰ নিগমে এক ৰাজহুৱা জাননীযোগে এই নিৰ্দেশনা জাৰি কৰিছে।

পৌৰ নিগমৰ জাননী অনুসৰি, ২০২৬ চনৰ ১ নৱেম্বৰৰ পৰা কাৰ্যকৰী হোৱাকৈ এই নতুন ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

© 2026 NewzNow

ঘৰে ঘৰে গৈ গোটা আৱৰ্জনা সংগ্ৰহ কৰা সেৱাৰ বাবদ প্ৰতিটো পৰিয়ালৰ পৰা মাহিলি ৫০ টকাকৈ সংগ্ৰহ কৰা হ'ব বুলি জাননীখনত স্পষ্ট কৰি দিয়া হৈছে।

সংশ্লিষ্ট অঞ্চলসমূহৰ নিৰ্ধাৰিত স্বচ্ছতা সখীসকলে এক অনুমোদিত এপভিত্তিক ব্যৱস্থাৰ জৰিয়তে এই মাচুল সংগ্ৰহ কৰিব। পৌৰ নিগমে জানিবলৈ দিয়া মতে, এই মাচুল সংগ্ৰহৰ দায়িত্ব কেৱল স্বচ্ছতা সখীসকলৰ ওপৰতহে ন্যস্ত কৰা হৈছে আৰু তেওঁলোকে নিৰ্ধাৰিত নিয়ম অনুসৰি ঘৰে ঘৰে গৈ ধন সংগ্ৰহ কৰিব।

মহানগৰখনৰ আৱৰ্জনা সংগ্ৰহ ব্যৱস্থা অধিক সুচাৰুৰূপে পৰিচালনা কৰাৰ লগতে চহৰখন পৰিষ্কাৰ-পৰিচ্ছন্ন আৰু স্বাস্থ্যকৰ কৰি ৰখাৰ উদ্দেশ্যেই এই পদক্ষেপ লোৱা হৈছে বুলি জাননীখনত উল্লেখ কৰা হয়।

পৌৰ নিগমে গুৱাহাটীৰ সকলো নাগৰিককে এই নতুন ব্যৱস্থাত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। লগতে প্ৰতিমাহে নিৰ্ধাৰিত ৫০ টকা মাচুল পৰিশোধ কৰি পৌৰ নিগমৰ চাফাই সেৱা অব্যাহত ৰখাত সহায় কৰিবলৈ অনুৰোধ জনায়।

এই জাননীখন ২০২৬ চনৰ ২৫ নৱেম্বৰত জাৰি কৰা হৈছে যদিও ১ নৱেম্বৰৰ পৰা পূৰ্বপ্ৰভাৱিতভাৱে কাৰ্যকৰী কৰা বুলি উল্লেখ থকাত মহানগৰবাসীৰ মাজত চৰ্চা আৰম্ভ হৈছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6597/gmc-waste-collection-fee-guwahati